পাঠ- 8

# জোখ-মাখ (দৈৰ্ঘ্য)

6QQ1SH

**কৰি চাওঁ আহা**

কাষৰ চিত্ৰত দেখুওৱাৰ দৰে তোমালোক প্ৰত্যেকে এখন ডাঠ কাগজৰ পৰা 10 চে মি দৈৰ্ঘ্যৰ ফিতাৰ সমান জোখৰ টুকুৰা কিছুমান কাটি লোৱা। এতিয়া টেবুল অথবা ডেস্কৰ ওপৰত টুকুৰাবোৰ এটাৰ পাছত আন এটা সজাই যোৱা। পাছত স্কেল বা ফিতাৰে জুখি 1 মিটাৰ জোখত দাগ দি বাকীবোৰ টুকুৰা আঁতৰাই পেলোৱা আৰু এইবাৰ তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া—



a) 1 মিটাৰ দৈৰ্ঘ্য হ'বলৈ 10 চে মি দৈৰ্ঘ্যৰ কিমানটা কাগজৰ টুকুৰাৰ প্ৰয়োজন হ'ল?

b) 1 মিটাৰ দৈৰ্ঘ্যত মুঠতে কিমান চে মি পালা?

তোমালোকে নিশ্চয় পালা—

1 মিটাৰ = 10 × 10 চে মি = 100 চে মি

এতিয়া তোমালোকে ইয়াৰ 1টা টুকুৰা 1 মিটাৰৰ কিমান অংশ ক'ব পাৰিবানে?

নিশ্চয় ই 1 মিটাৰৰ $\frac{1}{10}$ অংশ হ'ব। নহয়নে বাৰু?

সেইদৰে 1 চেণ্টিমিটাৰ 1 মিটাৰৰ কিমান অংশ হ'ব বাৰু? $\frac{1}{100}$ অংশ নহয়নে বাৰু?

ইয়াকে আমি এনেদৰে লিখিব পাৰো— 1 চেণ্টিমিটাৰ = $\frac{1}{100}$ মিটাৰ

❖ তোমাৰ স্কেলপাতত কিমান চেণ্টিমিটাৰ আছে লিখা-

**মনত পেলাওঁ আহা**

তোমালোকৰ স্কেলপাতৰ 1 চেণ্টিমিটাৰৰ মাজত সৰু সৰু 10 টা ভাগ আছে। প্ৰতিটো ভাগেই হৈছে 1 মিলিমিটাৰ।

$$\text{গতিকে } 1 \text{ চে মি} = 10 \text{ মি মি}$$

$$\text{বা } 1 \text{ মি মি} = \frac{1}{10} \text{ চে মি} = 0.1 \text{ চে মি}$$

**বিদ্যালয়ৰ খেলপথাৰলৈ যাওঁ আহা**



পল্লৱীহঁতৰ বিদ্যালয়ত বাৰ্ষিক খেল-ধেমালি চলি আছে। চয়নিকাই 100 মিটাৰ দৌৰত প্ৰথম স্থান দখল কৰিলে। শেষৰ দিনা 1000 মিটাৰ মাৰাথন দৌৰতো তাই প্ৰথম হ'ল।

**এতিয়া কোৱাচোন বাৰু**

100 মিটাৰ দৌৰত চয়নিকাই 1 মিটাৰৰ কিমান গুণ দৌৰিবলগীয়া হৈছিল? তাৰ উত্তৰত প্ৰজ্ঞাই ক'লে - 1 মিটাৰৰ 100 গুণ। আৰু মাৰাথন দৌৰত তাই দৌৰিছিল 1 মিটাৰৰ 1000 গুণ।

এই, 1000 মিটাৰ দূৰত্বক আমি 1 কিলোমিটাৰ দূৰত্ব বুলি কওঁ। অৰ্থাৎ চয়নিকাই মাৰাথন দৌৰত দৌৰিছিল 1000 মিটাৰ বা 1 কিলোমিটাৰ।

আৰু 1 মিটাৰ, 1 কিলোমিটাৰৰ কিমান অংশ বাৰু কোৱাচোন?

$1 \text{ মিটাৰ} = \frac{1}{1000}$ কিলোমিটাৰ, নহয়নে বাৰু?

অৰ্থাৎ, $1 \text{ মি} = \frac{1}{1000} \text{ কিমি} = 0.001 \text{ কিমি}$


**তলৰ ৰেখাৰ দৈৰ্ঘ্যৰ জোখ উলিয়াই চেণ্টিমিটাৰ আৰু মিলিমিটাৰত লিখোঁ আহা ঃ (স্কেলৰ সহায়ত)**


| a | b | c |
|---|---|---|
| দৈৰ্ঘ্য = 5 চে মি | দৈৰ্ঘ্য = ______ চে মি | দৈৰ্ঘ্য = ______ চে মি |
| = 50 মি মি | = ______ মি মি | = ______ মি মি |










| | | |
|---|---|---|
| AB = ______ | চে মি ______ | মি মি |
| BC = ______ | চে মি ______ | মি মি |
| AC = ______ | চে মি ______ | মি মি |

| | | |
|---|---|---|
| AB = ______ | চে মি ______ | মি মি |
| BC = ______ | চে মি ______ | মি মি |
| CD = ______ | চে মি ______ | মি মি |
| AD = ______ | চে মি ______ | মি মি |


❖ দৌৰ প্ৰতিযোগিতা



তোমালোকে বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিৰ দৌৰ প্ৰতিযোগিতাত কেতিয়াবা ভাগ লৈছানে বাৰু? তাত কিমান মিটাৰ দৌৰ প্ৰতিযোগিতা হয় জানানে? 25 মিটাৰ, 50 মিটাৰ, 100 মিটাৰ নে তাতকৈ বেছি? ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত দৌৰ প্ৰতিযোগিতাসমূহত বিভিন্ন দূৰত্ব দৌৰবিদসকলে অতিক্ৰম কৰি ৰাজ্যৰ বা দেশৰ বাবে পদক আনিবলৈ চেষ্টা কৰে। সাধাৰণতে সেই পৰ্যায়ৰ দৌৰ প্ৰতিযোগিতাত 100 মিটাৰ, 200 মিটাৰ, 400 মিটাৰ, $4 \times 400$ মিটাৰ (ৰীলে), 800 মিটাৰ, 1500 মিটাৰ, 3000 মিটাৰ আৰু 10,000 মিটাৰ দূৰত্ব দৌৰবিদসকলে অতিক্ৰম কৰে। আমাৰ ৰাজ্যৰ তেনে এজন শ্ৰেষ্ঠ দৌৰবিদ হ'ল শ্ৰীযুত ভোগেশ্বৰ বৰুৱা। তেখেতে 1966 চনত থাইলেণ্ডৰ বেংককত অনুষ্ঠিত হোৱা এছিয়ান গেমছত 800 মিটাৰ দৌৰ প্ৰতিযোগিতাত স্বৰ্ণ পদক অৰ্জন কৰিছিল। তেওঁৰ জন্মদিন 3 ছেপ্টেম্বৰ তাৰিখটো ক্ৰীড়াৰ প্ৰতি ধাউতি বঢ়াবলৈ প্ৰতি বছৰে **অভিৰুচি ক্ৰীড়া দিৱস** হিচাপে আমাৰ ৰাজ্যত পালন কৰা হয়। তোমালোকেও হয়তো তাত অংশগ্ৰহণ কৰিছা। আমাৰ দেশৰ আন এগৰাকী শ্ৰেষ্ঠ মহিলা দৌৰবিদ হ'ল পি টি উষা। তেওঁ 1986 চনত ছিউলত অনুষ্ঠিত এছিয়ান গেমছত 4টা দৌৰ ইভেণ্টত দেশৰ বাবে স্বৰ্ণ পদক আনে। তেওঁলোকৰ বিষয়ে আৰু অধিক জানি লৈ তোমালোকেও এজন দৌৰবিদ হ'বলৈ চেষ্টা কৰা।



দৌৰ প্ৰতিযোগিতাৰ ট্ৰেকৰ ছবিখন চাই তাৰ দূৰত্ববোৰ জানো আহা।




ট্ৰেকত চাৰি ঠাইত দূৰত্ব বুজাবলৈ A, B, C আৰু Dৰে চিহ্নিত কৰা হৈছে আৰু ইহঁতৰ মাজৰ আনুমানিক দূৰত্ব দিয়া আছে। এতিয়া কোৱাচোন বাৰু

❖ Aৰ পৰা C লৈ দূৰত্ব কিমান? ☐

❖ যদি এজন দৌৰবিদে 800 মিটাৰ দৌৰে তেতিয়া হ'লে তেওঁ ট্ৰেকটোত কেইপাক দৌৰিব লাগিব? ☐

❖ যদি কোনোবাই Aৰ পৰা দৌৰ আৰম্ভ কৰে আৰু 1000 মিটাৰ দৌৰে তেতিয়া হ'লে তেওঁ কেইপাক দৌৰিব আৰু কোনটো চিহ্নত শেষ কৰিব লাগিব? ☐ ☐

☛ **এইবাৰ উলিয়াওঁ আহা**

400 মিটাৰত কিমান কিলোমিটাৰ?

400 মিটাৰ = $\frac{400}{1000}$ কি মি = 0.4 কি মি

এতিয়া উলিওৱা

200 মিটাৰ = ____ কি মি = ____ কি মি

800 মিটাৰ = ____ কি মি = ____ কি মি

1000 মিটাৰ = ____ কি মি = ____ কি মি

3000 মিটাৰ = ____ কি মি = ____ কি মি





ডাঙৰ এককক সৰু এককলৈ প্ৰকাশ

মিটাৰক চেণ্টিমিটাৰত প্ৰকাশ কৰোঁ আহা

(a) 3 মিটাৰ

3 মিটাৰ = 3 × 100 চে মি

= 300 চেমি

(b) 2 মিটাৰ 70 চে মি

2 মিটাৰ = 2 × 100 চে মি = 200 চে মি

সেয়ে 2 মিটাৰ 70 চে মি

= (200 + 70) চে মি

= 270 চে মি

লগে-ভাগে কৰি চাওঁ আহা

(c) 5 মিটাৰ

= ____ চে মি

(d) 12 মিটাৰ 45 চে মি

= ____ চে মি

(e) 20 মিটাৰ 82 চে মি

= ____ চে মি

(f) 25 মিটাৰ 7 চে মি

= ____ চে মি

**মনত পেলোৱা ঃ 1 চেণ্টিমিটাৰ = 10 মিলি মিটাৰ, 1 মিটাৰ = 1000 মিলি মিটাৰ**

**মিটাৰক মিলিমিটাৰত প্ৰকাশ কৰোঁ আহা**

a) 2 মিটাৰক

2 মিটাৰ = 2 × 1000 মিলি মিটাৰ = 2000 মিলি মিটাৰ বা মি মি

b) 70 মিটাৰ 26 চেণ্টিমিটাৰক

70 মিটাৰ = 70 × 1000 মিলি মিটাৰ

= 70000 মিলি মিটাৰ

আৰু 26 চেণ্টিমিটাৰ = 26 × 10 মিলি মিটাৰ

= 260 মিলি মিটাৰ

সেয়ে 70 মিটাৰ 26 চেণ্টিমিটাৰ

= 70000 মি মি + 260 মি মি

= (70000 + 260) মি মি

= 70260 মি মি

c) 7 মিটাৰ = ____ মি মি

d) 17 মি 15 চে মি = ____ মি মি

e) 12 মি 5 চে মি 45 মি মি= ____ মি মি

f) 23 মি 7 চে মি = ____ মি মি

### কিলোমিটাৰক মিটাৰত প্ৰকাশ কৰোঁ আহা

a) 6 কি মিক মিটাৰলৈ
1 কি মি = 1000 মিটাৰ
6 কি মি = (6 × 1000) মিটাৰ
= 6000 মিটাৰ

b) 8 কি মি 19 মিটাৰক মিটাৰলৈ
8 কি মি = 8000 মিটাৰ
সেয়ে 8 কি মি 19 মিটাৰ= (8 × 1000 + 19) মিটাৰ
= (8000 + 19) মিটাৰ
= 8019 মিটাৰ

c) 13 কি মি = ____ মিটাৰ

d) 4 কি মি 10 মিটাৰ = ____ মিটাৰ

e) 5 কি মি 8 মিটাৰ = ____ মিটাৰ

f) 42 কি মি 85 মিটাৰ= ____ মিটাৰ

### দৈৰ্ঘ্যৰ জোখ জড়িত সমস্যা সমাধান কৰা



(i) এলভিছ আলী হাজৰিকাই 2018 চনৰ জুন মাহৰ 2 তাৰিখে প্ৰথমগৰাকী অসমীয়া হিচাপে 10 ঘণ্টা 15 মিনিটত ইংলিছ চেনেলত 29 কিলোমিটাৰ সাঁতুৰিলে। তেওঁ ইংলিছ চেনেলত কিমান মিটাৰ দূৰত্ব সাঁতুৰিলে?

(ii) ৰীণা সদায় খোজকাঢ়ি বিদ্যালয়লৈ যায়। ৰীণাৰ ঘৰ বিদ্যালয়ৰ পৰা 500 মিটাৰ দূৰত। তাই বাৰু বিদ্যালয়লৈ যাওঁতে কিমান কিলোমিটাৰ খোজ কাঢ়ে? অহা-যোৱা কৰোঁতে তেওঁ মুঠতে কিমান কিলোমিটাৰ খোজ কাঢ়ে?





(iii) এজন দৰ্জীক পেণ্ট এটা চিলাবলৈ 1.2 মিটাৰ কাপোৰ লাগে। পেণ্টৰ কাপোৰটোত কিমান চে মি কাপোৰ আছে বাৰু?

(iv) 15 চে মি দৈৰ্ঘ্যৰ ফিতা ডালৰ দৈৰ্ঘ্য মিলিমিটাৰত কিমান হ'ব?

*** সৰু এককক ডাঙৰ এককলৈ প্ৰকাশ**

চেণ্টিমিটাৰক মিটাৰত প্ৰকাশ কৰোঁ আহা

> 100 চে মি = 1 মিটাৰ
> সেয়ে 1 চে মি $= \frac{1}{100}$ মি

(a) 560 চে মিক
= 500 চে মি + 60 চে মি
$= \frac{500}{100}$ মিটাৰ + $\frac{60}{100}$ মিটাৰ
= 5 মিটাৰ + 0.6 মিটাৰ = 5.6 মিটাৰ

(b) 695 চে মি
= 600 চে মি + 95 চে মি
$= \frac{600}{100}$ মিটাৰ + $\frac{95}{100}$ মিটাৰ
= 6 মিটাৰ + 0.95 মিটাৰ = 6.95 মিটাৰ

(c) 1840 চে মি
= 1800 চে মি + 40 চে মি
$= \frac{1800}{100}$ মিটাৰ + $\frac{40}{100}$ মিটাৰ
= 18 মিটাৰ + 0.40 মিটাৰ = 18.40 মিটাৰ

$$\begin{array}{r} 18.00 \\ +\ 0.40 \\ \hline 18.40 \end{array}$$

(d) 2783 চে মি
= ____ চে মি + ____ চে মি
= ____ মিটাৰ + ____ মিটাৰ
= ____ মিটাৰ + ____ মিটাৰ = ____ মিটাৰ

e) 36 চে মি

= ______ মিটাৰ = ______ মিটাৰ

☛ **নিজে কৰা**

a. 5 চে মি = ............ মিটাৰ।

b. 695 চে মি = ............ মিটাৰ।

c. 2783 চে মি = ............ মিটাৰ।

d. 1840 চে মি = ........ মিটাৰ।

e. 36 চে মি = ........ মিটাৰ।

f. 200 চে মি = ............ মিটাৰ।

g. 1000 চে মি = ............ মিটাৰ।

h. 500 চে মি = ............ মিটাৰ।

**কাৰ্য (দলগত) ঃ তোমাৰ আৰু তোমাৰ লগৰীয়াসকলৰ উচ্চতা উলিওৱা**

—শ্ৰেণীৰ 5জনকৈ লগ হৈ দল হোৱা।

—তোমাৰ দলৰ সদস্যসকলৰ উচ্চতা জুখি তালিকাত লিখা।

| সদস্য | মিটাৰত উচ্চতা | চেণ্টিমিটাৰত উচ্চতা |
|---|---|---|
| সদস্য 1 | | |
| সদস্য 2 | | |
| সদস্য 3 | | |
| সদস্য 4 | | |
| সদস্য 5 | | |

❖ তোমালোকৰ 5জনৰ আটাইতকৈ ওখজনৰ উচ্চতা ______ মিটাৰ বা ______ চে মি।

❖ তোমালোকৰ 5জনৰ আটাইতকৈ চাপৰজনৰ উচ্চতা ______ মিটাৰ বা ______ চে মি।

❖ আটাইতকৈ ওখজন আটাইতকৈ চাপৰজনতকৈ ______ চে মি ওখ।





**প্ৰকল্প এটা কৰি চাওঁ আহা**

তালিকাত উল্লেখ থকা স্থানসমূহলৈ তোমাৰ ঘৰৰ পৰা আনুমানিক দূৰত্ব জানি লৈ লিখি পূৰ কৰা আৰু তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখা—

(প্ৰয়োজনত আনৰ সহায় ল'বা)

| ক্ৰমিক নং | স্থানসমূহৰ বিবৰণ | ঘৰৰ পৰা দূৰত্ব (মি/কিমি) |
|---|---|---|
| 01 | তোমালোকৰ প্ৰধান ছাৰ/বাইদেউৰ ঘৰ | |
| 02 | ওচৰৰ উচ্চ মাধ্যমিক বিদ্যালয় | |
| 03 | ওচৰৰ ডাকঘৰ | |
| 04 | ওচৰৰ চিকিৎসালয় | |
| 05 | ওচৰৰ থানা/আৰক্ষী চকী | |

❖ আটাইতকৈ ওচৰত কোনটো অনুষ্ঠান আছে? ______

❖ তোমাৰ ঘৰৰ পৰা আটাইতকৈ দূৰত কোনটো অনুষ্ঠান? ______

❖ মিটাৰত থকা দূৰত্ব কিলোমিটাৰত আৰু কিলোমিটাৰত থকা দূৰত্ব মিটাৰত প্ৰকাশ কৰা।

* * *